**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-MAY-2026 **Time :** 1845 HRS

***Assamese Evening Bulletin***

——————————————————————

## HEADLINES

১। বানৰ পূৰ্বাভাস আৰু বানৰ ফলত হোৱা ক্ষতি হ্ৰাস কৰাৰ পৰিকল্পনাৰে নেডাৰলেণ্ডছৰ সৈতে অংশীদাৰিত্ব শক্তিশালী কৰা হৈছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। অহা ২১ মে'ৰ পৰা ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিবেশন।

৩। প্ৰবীণ সাংবাদিক হাইদৰ হুছেইনলৈ পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা। ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৰাগ কুমাৰ দাসৰ সোঁৱৰণত শ্বহীদ দিৱস পালন।

৪। নগাঁও জিলাৰ জুমুৰমুৰ গাঁও পঞ্চায়তৰ দীনদয়াল উপাধ্যায় পঞ্চায়ত নিৰন্তৰ বিকাশ পুৰস্কাৰ আৰু নানাজী দেশমুখ সৰ্বোত্তম পঞ্চায়ত পুৰস্কাৰ লাভ।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত ধৰমশালাত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ, পাঞ্জাব কিংছক জয়ৰ বাবে ২২৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

ooooooooo

অসমৰ নদীৰ গতিপথ অধ্যয়ন, বানৰ পূৰ্বাভাস আৰু বানৰ ফলত প্ৰতিবছৰে ৰাজ্যখনত হোৱা ক্ষতি হ্ৰাস কৰাৰ পৰিকল্পনাৰে নেডাৰলেণ্ডছৰ সৈতে অংশীদাৰিত্ব শক্তিশালী কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেডাৰলেণ্ডছ ভ্ৰমণৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰীয়ে আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ দ্বাৰা ভাৰতৰ জল ব্যৱস্থাপনা অধিক শক্তিশালী কৰাৰ বাবে চলাই থকা প্ৰচেষ্টাৰ ফলত অসমো বহুলভাবে লাভৱান হ'ব। কৃষিৰ ক্ষেত্ৰত পানীৰ উচিত ব্যৱহাৰ, বান নিয়ন্ত্ৰণ, আগতীয়া সতৰ্কতা বাণী প্ৰদান আৰু আভ্যন্তৰীণ জলপথ উন্নয়নৰ ক্ষেত্ৰত এই সহযোগিতাই নতুন দিশ উন্মোচন কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে নেডাৰলেণ্ডছে জলসম্পদ ব্যৱস্থাপনা, বান নিয়ন্ত্ৰণ আদিৰ ক্ষেত্ৰত বিশ্বত নিদৰ্শনৰ সৃষ্টি কৰিছে। এই ক্ষেত্ৰত তেওঁলোকে গ্ৰহণ কৰা প্ৰযুক্তিৰ সুবিধা আৰু অভিজ্ঞতা অসমৰ দৰে বান প্ৰবন আৰু নদী মাতৃক ৰাজ্যৰ বাবে উপযোগী বুলিও মুখ্যমন্ত্ৰীয়ে মত প্ৰকাশ কৰে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেডাৰলেণ্ডছ ভ্ৰমণৰ সময়ত কৌশলগত জল সহযোগিতা আৰু অংশীদাৰিত্ব শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

ooooooooo

এডভাণ্টেজ অসম শীৰ্ষক বিনিয়োগকাৰী সন্মিলনৰ দ্বিতীয় সংস্কৰণত স্বাক্ষৰিত বুজাবুজি চুক্তিৰ অধীনৰ প্ৰকল্পসমূহৰ ষাঠি শতাংশ ৰূপায়নৰ উন্নত পৰ্যায়ত আছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সদৰি কৰিছে। অসমে লাভ কৰা ৫ লাখ কোটি টকাৰো অধিক বিনিয়োগৰ প্ৰতিশ্ৰুতিৰ ভিতৰত ৩ লাখ কোটি টকাৰো অধিক শিতানত প্ৰকল্পসমূহ ৰূপায়ন কৰা হৈছে বুলি তেওঁ জানিবলৈ দিছে। এই প্ৰকল্পসমূহ সম্পূৰ্ণৰূপে কাৰ্যকৰী হ'লে অসমৰ বাবে যুগান্তকাৰী পদক্ষেপ হিচাপে বিবেচিত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০০০০

অহা ২১ মে'ৰ পৰা চাৰিদিনীয়াকৈ অসম বিধানসভাৰ অধিবেশন অনুষ্ঠিত হ'ব। অসম বিধানসভা সচিবালয়ে ইয়াৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। অধিবেশনৰ প্ৰথম দিনা পুৱা চাৰে ৯বজাৰ পৰা নৱনিৰ্বাচিত বিধায়কসকলৰ শপতগ্ৰহণ প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব। বিধানসভাৰ অস্থায়ী অধ্যক্ষ চন্দ্ৰমোহন পাটোৱাৰীয়ে নৱনিৰ্বাচিত বিধায়কসকলক সদনৰ মজিয়াত পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব। ষোড়শ বিধানসভালৈ নিৰ্বাচিত ১২৬ গৰাকী জনপ্ৰতিনিধিৰ ভিতৰত ৪৭ গৰাকীয়ে হৈছে নতুন বিধায়ক। নতুন জনপ্ৰতিনিধিসকলে যাতে কোনো অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয় তাৰ বাবে বিধানসভা সচিবালয়ে নৱনিৰ্বাচিত প্ৰতিনিধিসকলক পৰিচয় পত্ৰ সংগ্ৰহ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০০০

বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যানে পূৰ্বৰ অভিলেখ ভংগ কৰি ২০২৫-২৬ পৰ্যটন বৰ্ষৰ ৭ মাহত এক কোটি ৫০ লাখ টকা ৰাজহ সংগ্ৰহ কৰিছে। উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি চলিত পৰ্যটন বৰ্ষত উদ্যানখনলৈ অহা পৰ্যটকৰ সংখ্যা বৃদ্ধি হৈছে। বৰ্তমানলৈকে উদ্যানখনলৈ ৬১ হাজাৰ দেশী পৰ্যটক আৰু এহেজাৰ ৬০০গৰাকী বিদেশী পৰ্যটকৰ আগমন হৈছে। অহা ২৫ জুনলৈকে পৰ্যটকৰ বাবে উদ্যানখন খোলা থাকিব বুলি কৰ্তৃপক্ষই জানিবলৈ দিয়ে।

**-বাইট-**

০০০০০০০০০

অসমত অপৰাধী কাৰ্যকলাপৰ হাৰ ২০২১ চনৰ ৩৪৯ দশমিক ৯ৰ পৰা সম্প্ৰতি ১০০ দশমিক ২ লৈ হ্ৰাস পাইছে। একেদৰে বিচাৰাধীন গোচৰৰ সংখ্যা ২০২১ চনৰ এক লাভ ৩৩ হাজাৰ ৯৮২ৰ পৰা সম্প্ৰতি ১০ হাজাৰ ৯০২লৈ হ্ৰাস পাইছে। অসম আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিঙে এই বিষয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে প্ৰতি মাহে গোচৰ পঞ্জীয়নৰ সংখ্যাও ২০২১ চনৰ ১১ হাজাৰ ১০৩ত কৈ সম্প্ৰতি তিনি হাজাৰ ৬৫ লৈ হ্ৰাস পাইছে। ইয়াৰ বিপৰীতে অভিযোগ নামা দাখিলৰ হাৰ ২০২১ চনৰ ৩৯ দশমিক ৪-০ৰ পৰা সম্প্ৰতি ৮৬ দশমিক ০-৪ শতাংশলৈ বৃদ্ধি পাইছে। এই পৰিৱৰ্তিত পৰিসংখ্যাই আৰক্ষী ব্যৱস্থাৰ উন্নয়ন আৰু তদন্ত প্ৰক্ৰিয়া উন্নত তথা প্ৰযুক্তি নিৰ্ভৰ হোৱাটোকে প্ৰতিয়মান কৰে বুলি শ্ৰী সিঙে কয়।

০০০০০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চি বি এছ ইয়ে ভাষা নীতিৰ ক্ষেত্ৰত কেতবোৰ গুৰুত্বপূৰ্ণ পদক্ষেপৰ কথা ঘোষণা কৰিছে। সেই অনুসৰি পহিলা জুলাইৰ পৰা নৱম শ্ৰেণীৰ শিক্ষাৰ্থীয়ে ২০২৬-২৭ শিক্ষাবৰ্ষত তিনিটা

ভাষা অধ্যয়ন কৰিব লাগিব। চি বি এছ্ ইৰ অধীনৰ সকলো বিদ্যালয়তে এই নীতি বলৱৎ হ'ব। অৱশ্যে দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত তৃতীয় ভাষাটোৰ বাবে কোনোধৰণৰ পৰীক্ষা অনুষ্ঠিত কৰা নহয়। ইয়াৰ পূৰ্বে চি বি এছ্ ইয়ে ষষ্ঠ শ্ৰেণীৰ পৰা তিনিটা ভাষা শিক্ষাৰ সিদ্ধান্তৰ কথা সদৰি কৰিছিল।

০০০০০০০০০

প্ৰবীণ সাংবাদিক-সম্পাদক, লেখক হাইদৰ হুছেইনক আজি পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা প্ৰদান কৰা হয়। পৰাগ কুমাৰ দাস সতীৰ্থ মঞ্চৰ উদ্যোগত গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এটা অনুষ্ঠানত সাংবাদিকগৰাকীক এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত এখন শৰাই, চেলেং চাদৰ, ফুলৰ থোপা আৰু মানপত্ৰৰ লগতে নগদ ২৫ হাজাৰ টকা আগবঢ়োৱা হৈছে। বঁটা গ্ৰহণ কৰি সাংবাদিকগৰাকীয়ে নগদ ধনখিনি গুৱাহাটী প্ৰেছ ক্লাবক অৰ্পণ কৰে। শ্ৰীহুছেইনে অসমৰ সংবাদ জগতলৈ পৰাগ কুমাৰ দাসৰ অনবদ্য অৱদানৰ কথা সুঁৱৰে।

**বাইট (হাইদৰ হুছেইন)**

অনুষ্ঠানত বিশিষ্ট গল্পকাৰ দেৱব্ৰত দাস, লেখক লক্ষ্মীনাথ তামুলী, সাংবাদিক প্ৰশান্ত ৰাজগুৰু, গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি আৰু সাধাৰণ সম্পাদককে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আজিৰ অনুষ্ঠানতে কৰ্তব্যৰত অৱস্থাত দুৰ্বৃত্তৰ হাতত প্ৰাণ হেৰুওৱা সাংবাদিকসকলৰ ফটো গুৱাহাটী প্ৰেছ ক্লাবত সংৰক্ষণ কৰি ৰখাৰ সিদ্ধান্ত লোৱা হয়। প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক অমৰেন্দ্ৰ ডেকাই বিগত সময়ছোৱাত ৰাজ্যৰ বিভিন্ন প্ৰান্তত দুৰ্বৃত্তৰ হাতত প্ৰাণ হেৰুওৱা সাংবাদিকসকলৰ ফটোসহ বিষয়-বিৱৰণ ৩১ মে'ৰ ভিতৰত গুৱাহাটী প্ৰেছ ক্লাবলৈ প্ৰেৰণ কৰিবলৈ সাংবাদিক-সংগঠন তথা পৰিয়ালৰ লোকসকলক আহ্বান জনায়।

উল্লেখযোগ্য যে আপোচবিহীন সাংবাদিক, মানৱাধিকাৰ কৰ্মী পৰাগ কুমাৰ দাসৰ ৩১ সংখ্যক মৃত্যু দিৱসত আজি ৰাজ্যজুৰি স্মৰণ কৰা হয়। প্ৰতি বছৰৰ দৰে এইবাৰো মানৱ অধিকাৰ সংগ্ৰাম সমিতিয়ে পৰাগ কুমাৰ দাসৰ মৃত্যুৰ দিনটোক শ্বহীদ দিৱস হিচাপে পালন কৰে। পুৱাৰ ভাগত গুৱাহাটীৰ ৰাজগড়ত থকা শ্বহীদ বেদীত বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানো অনুষ্ঠিত হয়।

লখিমপুৰ জিলাৰ চাউলধোৱা থেকেৰাগুৰি ৰাজহুৱা প্ৰেক্ষাগৃহত মানৱাধিকাৰ সংগ্ৰাম সমিতিৰ আঞ্চলিক সমিতিৰ উদ্যোগত শ্বহীদ দিৱস তথা পৰাগ স্মৰণ সভা অনুষ্ঠিত হয়। অনুষ্ঠানত বৰ্তমান সময়ত সাংবাদিকৰ মানৱাধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত পালন কৰিবলগীয়া দায়িত্ব সন্দৰ্ভত আলোচনা কৰা হয়। এই অনুষ্ঠানতে স্থানীয় সাংবাদিকসকলক সম্বৰ্ধনা জনোৱাৰ উপৰি অঞ্চলটোৰ কৃতি ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন পত্ৰ প্ৰদান কৰা হয়।

ধেমাজি জিলাৰ মাছখোৱাত নিৰ্যাতন বিৰোধী ঐক্য মঞ্চৰ উদ্যোগত পৰাগ কুমাৰ দাসৰ মৃত্যু বাৰ্ষিকী উদযাপন কৰা হয়। অনুষ্ঠানত সত্যনিষ্ঠ সাংবাদিকতাৰ সংকট শীৰ্ষক আলোচনা চক্ৰত মানৱাধিকাৰ কৰ্মী গণেশ গোস্বামী, সাংবাদিক ৰয়েল পেগু, পৰিৱেশ কৰ্মী তোযেশ্বৰ মিৰি আগৰৱালাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০০০

নগাঁও জিলাৰ কঠিয়াতলী উন্নয়ন খণ্ডৰ অন্তৰ্গত জুমুৰমুৰ গাঁও পঞ্চায়তে ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটাৰ অধীনত দীনদয়াল উপাধ্যায় পঞ্চায়ত নিৰন্তৰ বিকাশ পুৰস্কাৰ আৰু নানাজী দেশমুখ সৰ্বোত্তম পঞ্চায়ত

পুৰস্কাৰ লাভ কৰিছে। অহা ৩ জুনত পঞ্চায়তীৰাজ মন্ত্ৰালয়ে নতুন দিল্লীত আয়োজন কৰা অনুষ্ঠানত এই পুৰস্কাৰ প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে এহেজাৰ ২৪৫ টা পৰিয়ালে বসবাস কৰা এই পঞ্চায়তৰ জনসংখ্যা ৬ হাজাৰ ৩২। পঞ্চায়তৰ সভানেত্ৰী উমুমা চাকিনৰ নেতৃত্বত পঞ্চায়তখনে কেতবোৰ লেখত ল'বলগীয়া কাৰ্যসূচী গ্ৰহণ কৰি ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে। উল্লেখযোগ্য যে, কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটাৰ শিতানত দেশৰ বিভিন্ন প্ৰান্তৰ ৪২ খন পঞ্চায়তক বাচনি কৰা হৈছে। অসমৰ শোণিতপুৰ জিলাৰ নিউ নপাম গাঁও পঞ্চায়তে শ্ৰেষ্ঠ গাঁও পঞ্চায়তৰ নানাজি দেশমুখ সৰ্বোত্তম পঞ্চায়ত নিৰন্তৰ বিকাশ পুৰস্কাৰ লাভ কৰিছে। ডিব্ৰুগড় জিলাৰ হুগ্ৰীজান গাঁও পঞ্চায়তে স্ব-নিৰ্ভৰশীল আন্তঃগাঁথনি শিতানত ৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সমৰ্থ হৈছে।

কৰ্ণাটকে সৰ্বাধিক ছটা বঁটা লাভ কৰিছে। ইয়াৰ পাছতে অন্ধ্ৰপ্ৰদেশ আৰু ওড়িশাই পাঁচটাকৈ বঁটা লাভ কৰিছে।

০০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত যোৱা কেইবাদিনো ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত বহু ঠাই জলমগ্ন হৈ পৰাৰ লগতে জনসাধাৰণে যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱাৰ বাতৰি আমালৈ আহিছে। শ্ৰীভূমি জিলাৰ বদৰপুৰৰ বগলিগুল অঞ্চলত বৰষুণৰ ফলত হোৱা ভূমিস্খলনৰ বাবে কেইবাটাও পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে। তদুপৰি বহু ঠাইত বৰষুণে ঘৰ-বাৰীৰো ক্ষতি কৰিছে। আজি উত্তৰ কৰিমগঞ্জৰ বিধায়ক জাকাৰীয়া আহমেদে পৰিস্থিতিৰ পৰিদৰ্শন কৰাৰ উপৰি ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সৈতে মত বিনিময় কৰে। তেওঁ লগতে এই লোকসকলক অতিশীঘ্ৰেই প্ৰয়োজনীয় সাহায্য আগবঢ়োৱাৰ আশ্বাস দিয়ে।

ডিব্ৰুগড় জিলাতো আজি পুৱাৰে পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত বিভিন্ন অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি হোৱাত জনজীৱন ব্যাহত হৈ পৰিছে। চহৰখনৰ দূৰদৰ্শন কেন্দ্ৰৰ সমীপত, মানকটা পথৰ দেওবৰীয়া বজাৰকে ধৰি বহু ঠাই জলমগ্ন হৈ পৰিছে।

০০০০০০০০

তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ গান্ধীচ'ক দীঘলীপাৰত খাদ্য বিষক্ৰিয়া হৈ এটা চুবুৰীৰ শতাধিক লোক অসুস্থ হৈ পৰিছে। যোৱা বৃহস্পতিবাৰে এটা পৰিয়ালত আয়োজিত বাথৌ পূজাৰ প্ৰসাদ খোৱাৰ পাছৰেপৰাই এই লোকসকল অসুস্থ হৈ পৰে। আজি ইয়াৰে ৬৫জন লোকক জিলাখনৰ উত্তৰ বেতনা ৰাজ্যিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। এই লোকসকলৰ ভিতৰত কেইবাটিও শিশু আছে। আমাৰ সংবাদদাতাই জনোৱা মতে, ইয়াৰ পূৰ্বেও কালি ২৯জনীয়া চিকিৎসকৰ এটা দলে অঞ্চলটোত উপস্থিত হৈ অসুস্থ লোকসকলক চিকিৎসা প্ৰদান কৰিছিল। এই ঘটনাৰ খবৰ পোৱাৰ পাছত গোৰেশ্বৰ সমষ্টিৰ বিধায়ক ভিক্টৰ কুমাৰ দাসে চিকিৎসালয়ত উপস্থিত হৈ অসুস্থ লোকসকলৰ খবৰ লোৱাৰ লগতে তেওঁলোকক উপযুক্ত চিকিৎসা প্ৰদান কৰিবলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

০০০০০০০০

অসম সাহিত্য সভা আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এখন উচ্চস্তৰীয় সভা আজি গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ ড০ মহেন্দ্ৰ নাথ বৰা সোঁৱৰণী সভাকক্ষত অনুষ্ঠিত হয়। সভাত গুৰুজনাৰ সৃষ্টিৰাজি হিন্দী, ইংৰাজীৰ উপৰি দেশৰ বিভিন্ন আঞ্চলিক ভাষালৈ অনুবাদ কৰাৰ সন্দৰ্ভত বিস্তৃতভাবে আলোচনা কৰা হয়।

শংকৰদেৱ সংঘৰ পদাধিকাৰ তথা শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ভবেন্দ্ৰ নাথ ডেকাই এই সন্দৰ্ভত কয়, যে শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ সৃষ্টিৰাজি সন্দৰ্ভত দেশৰ অন্য প্ৰান্তৰ লোকে যাতে অৱগত হ'ব পাৰে তাৰ বাবে চেষ্টা চলাব লাগিব। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে অনাগত সময়চোৱাত দুয়োটা সংগঠন একগোট হৈ এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব বুলি মন্তব্য কৰে।

000000000

লখিমপুৰ আৰক্ষীয়ে যোৱা নিশা জিলাখনৰ ৰাষ্ট্ৰীয় ঘাইপথত তালাচী চলাই এখন বাহনত বৈধ নথিপত্ৰ অবিহনে অনা ১৮টা ম'হ উদ্ধাৰ কৰে। বাহনখনৰ তিনিজন লোকক আটক কৰা হৈছে। এই সন্দৰ্ভত আৰক্ষীয়ে গোচৰ ৰুজু কৰি আইনী প্ৰক্ৰিয়া অব্যাহত ৰাখিছে।

000000000

ইলোৰা বিজ্ঞান মঞ্চ নলবাৰী শাখাৰ ২৩ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি অসম ভেলী বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। এই উপলক্ষে পুৱাৰ ভাগত **শিশু আৰু মাতৃৰ সুস্বাস্থ্য** শীৰ্ষক আলোচনা অনুষ্ঠিত হয়। আলোচনাত জিলাখনৰ দুগৰাকী শিশু বিশেষজ্ঞ চিকিৎসক ডা০ প্ৰণৱ কুমাৰ শৰ্মা আৰু ডা০ মনোৰঞ্জন শৰ্মাৰ লগতে প্ৰশিক্ষণৰত নাৰ্ছসকলে অংশগ্ৰহণ কৰে। ইয়াৰ পাছত আয়োজিত মুকলি সভাত বৰভাগ মহাবিদ্যালয়ৰ প্ৰবক্তা ড০ ধনেশ্বৰ বৈশ্যই ইলোৰা বিজ্ঞান মঞ্চ প্ৰতিষ্ঠাৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে বক্তব্য আগবঢ়ায়।

00000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ধৰমশালাত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে, পাঞ্জাব কিংছক জয়ৰ বাবে ২২৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ২২২ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ভেংকটেছ আয়াৰে সৰ্বাধিক ৭৩ ৰান কৰে। বিৰাট কোহলিয়ে ৫৮ আৰু দেৱদত্ত পাৰ্ডিকলে ৪৫ ৰানৰ বৰঙণি আগবঢ়ায়।

প্ৰত্যুত্তৰত আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈ পাঞ্জাব কিংছে ১৬ অভাৰত ৫টা উইকেট হেৰুৱাই ১৬০ ৰান কৰি খেলি আছে।

প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত ডেলহি কেপিটেলছ, ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

00000000

কাজিৰঙা পৰ্যটনৰ বাটকটীয়া তথা ৱাইল্ড গ্ৰাচ পৰ্যটন নিবাসৰ স্বত্বাধিকাৰী অচিন্ত কুমাৰ বৰুৱা ওৰফে মঞ্জু বৰুৱাৰ আজি পুৱা হৃদৰোগত আক্ৰান্ত হৈ দেহাৱসান ঘটে। কাজিৰঙাৰ পৰ্যটনৰ বিকাশৰ লগতে বন আৰু বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত বৰুৱাই বিশেষ অৰিহণা আগবঢ়াইছিল। ২০০৭ চনৰ পৰা প্ৰতিবছৰে ৩০ এপ্ৰিলত তেওঁ মাউটসকলক একত্ৰিত কৰি সন্মান প্ৰদান কৰি আহিছিল। কাজিৰঙা আৰু দাঁতিকাষৰীয়া অঞ্চলত বিভিন্ন সমাজ কল্যাণমূলক কাৰ্যত সক্ৰিয়ভাৱে জড়িত বৰুৱাই স্থানীয় মহিলাসকলক কাঠফুলা খেতিৰ জৰিয়তে স্বাৱলম্বী হোৱাৰ ক্ষেত্ৰত সহায় কৰিছিল। তেওঁৰ মৃত্যুত গুণমুগ্ধসকলে গভীৰ শোক প্ৰকাশ কৰিছে।

00000000

বিশিষ্ট আইনজ্ঞ, অসম আন্দোলনৰ অগ্ৰণী নেতা ড০ ভূবন বৰুৱাৰ যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭১ বছৰ। আজি বহু গুণমুগ্ধ আৰু আত্মীয়-স্বজনৰ উপস্থিতিত ভূতনাথ শ্মশানত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন মহাবিদ্যালয়ৰ অধ্যাপক হিচাপে চাকৰি জীৱন আৰম্ভ কৰা ড০ বৰুৱাই পৰৱৰ্তী সময়ত তেজপুৰ আৰু এন ই এফ আইন মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ আইন বিভাগৰ ডীন হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ মৃত্যুত সদৌ অসম ছাত্ৰ সন্থা, অসম উন্নতি সভাকে ধৰি অন্যান্য ব্যক্তি আৰু প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

০০০০০০০০০

যোৰহাটৰ গোহাঁই টেকেলা গাঁও নিবাসী নুৰ নাহাৰ হাজৰিকাৰ আজি দুপৰীয়া দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৯ বছৰ।

০০০০০০০০

সমাপ্ত